# REGIONAL NEWS UNIT
## AKASHVANI : GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

***::::::::::::::: :::::::::::::::***

১।	ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩ লাখ কোটি টকাৰ প্ৰকল্পৰ কাম কৰিব বুলি দেৰগাঁৰত গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্য।

২।	ৰাজ্যৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি নীতিৰে দৌল উৎসৱ উদ্‌যাপন।

৩।	ৰাজ্যিক মৰ্যাদাৰে বিশিষ্ট সংগীত শিল্পী ড০ লক্ষ্যহীৰা দাসৰ শেষকৃত্য সম্পন্ন।

৪।	ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি  ভালেসংখ্যক প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।
*আৰু*

৫।	মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ-ডেলহি কেপিটেলছৰ মুখামুখি।

০০০০

অসমৰ বিকাশ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনত ৩ লাখ কোটি টকা ব্যয়ৰে বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৰত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰি এই কথা ঘোষণা কৰে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। শ্ৰীশ্বাহে দেৰগাঁৰত এখন বিশাল জনসভাতো ভাষণ দিয়ে। ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে অহা পাঁচ বছৰত লাচিত বৰফুকন পুলিচ একাডেমী দেশৰ ভিতৰতে প্ৰথম স্থানৰ একাডেমী হিচাপে পৰিগণিত হ'ব। লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ বিষয়ে ইমান দিনে সকলোৰে জনা নাছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এতিয়া লাচিত বৰফুকনক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰি দিছে। লাচিত বৰফুকনৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে দেশৰ সকলো পুথিভঁৰালত এতিয়া লাচিত বৰফুকনৰ জীৱনী গ্ৰন্থ আছে। ছেমি কণ্ডাক্টৰ প্ৰকল্পই ৰাজ্যখনৰ ছবি সলনি কৰিব বুলি প্ৰকাশ কৰি শ্ৰীশ্বাহে কয়, যে কৰ্মসংস্থাপন বিচাৰি অনাগত সময়ত বহিঃৰাজ্যৰ পৰা অসমলৈ যুৱক-যুৱতীৰ সোঁত ব'ব। এসময়ত সন্ত্ৰাসজৰ্জৰ পৰিৱেশে বিৰাজ কৰা ৰাজ্যখন বৰ্তমান প্ৰগতিৰ পথত আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে।

**বাইট (অমিত শ্বাহ)**

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটোক অসম আৰক্ষীৰ বাবে

সোণালী দিন বুলি অভিহিত কৰি কয়, যে লাচিত বৰফুকন পুলিচ একাডেমীত এখন আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজো উপকৃত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰৱচ্ছিন্ন প্ৰয়াসৰ ফলত আইন শৃংখলাৰ দিশত আজিৰ অসমে নতুন দিশলৈ গতি কৰিছে বুলি তেওঁ কয়।

**বাইট (চি এম)**

দেৰগাঁৱৰ এই অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে বিমানযোগে আইজললৈ যাত্ৰা কৰে। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰ কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ পৰিপ্ৰেক্ষিতত মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ হ'ব। সেয়েহে গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক বুলি বিবেচনা কৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আজি নিশাটো আইজলৰ ৰাজভৱনত কটাই কাইলৈ গুৱাহাটীলৈ উভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটীৰ এখন আগশাৰীৰ হোটেলত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজিও পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদ্‌যাপন পালন কৰা হৈছে। দৌল মহোৎসৱ উপলক্ষে বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰত ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। বৰপেটা সত্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱত অংশ লোৱাৰ লগতে গোসাঁইক সেৱা জনাই আশীৰ্বাদ ল'বলৈ বিভিন্ন প্ৰান্তৰ পৰা ভক্তসকলৰ আগমন ঘটিছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত পৰম্পৰা অনুসৰি ফল্গুৎসৱ উদযাপন কৰা হয়। বেঙেনাআটি আৰু চামগুৰি সত্ৰত এই মহোৎসৱ ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। চামগুৰি সত্ৰৰ আজি তৃতীয় দিনৰ কাৰ্যসূচীত নাম-কীৰ্তন, গোসাই ফুৰোৱাৰ অন্তত সন্ধিয়া ভাওনা আয়োজন কৰা হৈছে। কাইলৈ ফাকুৱা ফুৰোৱাৰ পাছত সন্ধিয়ালৈ এই উৎসৱৰ সামৰণি পৰিব। ফল্গুৎসৱ সন্দৰ্ভত শ্ৰীশ্ৰীএলেঙী তকৌবাৰী সত্ৰৰ ডেকাসত্ৰীয়া পদুম কুমাৰ মহন্তই এইদৰে কয়।

**বাইট**

কোচবিহাৰ মধুপুৰ সত্ৰত ৩ দিনীয়াকৈ আযোজন কৰা দৌল উৎসৱৰ আজি সামৰণি পৰে। দৌল উৎসৱৰ অন্তিম দিনা গোসাইক নামঘৰৰ পৰা উলিয়াই সত্ৰৰ চাৰিফালে প্ৰদক্ষিণ কৰাৰ লগতে ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ পালন কৰা হয়। গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাকে ধৰি প্ৰায়বোৰ জিলাতে আজি স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। বাক্সা জিলাৰ জলাহৰ শ্ৰীশ্ৰীবুঢ়াগোহাই কীৰ্তন ঘৰত দৌল মহোৎসৱৰ আজি সামৰণি পৰিব। অন্তিম দিনৰ কাৰ্যসূচীৰ অন্ত হিচাপে বিয়লি গোসাইক উৎসৱস্থলীৰ পৰা পথাৰলৈ লৈ অনা হয়। গোসাইক কীৰ্তন ঘৰৰ চাৰিওফালে ৭ বাৰ প্ৰদক্ষিণ কৰাৰ অন্তত গৃহ প্ৰৱেশৰ নাম মঞ্চস্থ কৰা হয়। ইয়াৰ পাছত শ্ৰীকৃষ্ণই গৃহপ্ৰৱেশৰ

প্ৰাকক্ষণত বা ভঙা কাৰ্যসূচী অনুষ্ঠিত হয়। সন্ধিয়া নাগাৰা নামৰ কাৰ্যসূচীৰে ৩ দিনীয়াকৈ আয়োজিত দৌল মহোৎসৱৰ সামৰণি পৰে। শোণিতপুৰৰ বালিপাৰাৰ এৰাগাঁৱৰ শ্ৰীশ্ৰীকমলাবাৰী শাখা সত্ৰতো দৌল উৎসৱৰ সৈতে সংগতি ৰাখি গোসাই ফুৰোৱা কাৰ্যসূচী অনুষ্ঠিত হয়। ভক্তসকলে নাম প্ৰসংগৰে নামঘৰৰ পৰা গোসাইক উলিয়াই  সত্ৰৰ পৰা বালিপাৰা চেণ্টাৰলৈ পৰিভ্ৰমণ কৰে।

০০০০

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা সংগীতশিল্পী ড° লক্ষ্যহীৰা দাসৰ আজি নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। শেষকৃত্য অনুষ্ঠানত শিল্পীগৰাকীৰ ভালেসংখ্যক গুণমুগ্ধৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যও উপস্থিত থাকে। শ্মশানলৈ নিয়াৰ পূৰ্বে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী হিচাপে স্বীকৃতিপ্ৰাপ্ত ড° লক্ষ্যহীৰা দাসৰ নশ্বৰদেহ আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ অনা হয়। কেন্দ্ৰটোৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ লগতে বিষয়া-কৰ্মচাৰীসকলে শিল্পীগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰয়াত লক্ষ্য হীৰা দাসক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি আকাশবাণী কেন্দ্ৰত কণ্ঠশিল্পী মনিষা হাজৰিকা, মালবিকা বৰা, শান্তা উজিৰ আৰু অভিনেত্ৰী ৰুণু দেৱীও উপস্থিত থাকে।

০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্তিম দিনটোত ভালেসংখ্যক প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়ন পত্ৰ দাখিল কৰে। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত থকা ১৬টা সমষ্টি আছে। গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলাখনৰ প্ৰশাসনে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বহুমুখী ভৱনত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই ২০টা পৰিষদীয় সমষ্টিৰ বাবে দলীয় আৰু নিৰ্দলীয় যথেষ্টসংখ্যক প্ৰাৰ্থীয়ে বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ ভিতৰত অন্যতম ৰাভা-হাচঙৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাও আছে। তেওঁ ৭ নম্বৰ দক্ষিণ দুধনৈ সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে।

কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলে সংশ্লিষ্ট সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰে। বামুনীগাঁও পৰিষদৰ বাবে মনোনয়ন দাখিলৰ সময়ত বিজেপি প্ৰাৰ্থীগৰাকীৰ লগত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। এইবেলি ৰাভা-হাচং পৰিষদীয় নিৰ্বাচনত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ দলে পূৰ্বৰ মিত্ৰতা অক্ষুণ্ণ ৰাখি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সেয়েহে ৩৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি আৰু ৬টা বিজেপি দলে প্ৰাৰ্থী দিয়ে। ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ মুখ্য আহ্বায়ক টংকেশ্বৰ ৰাভাৰ নেতৃত্বত দুয়োটা দলৰ প্ৰাৰ্থীসকলে গোৱালপাৰা চহৰৰ বিহু খেলপথাৰৰ পৰা সমদল কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰ দাখিল কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু সাংসদ বিজুলী কলিতা মেধিও সমদলত সংগ দিয়ে। অহা ১৭ মাৰ্চত মনোনয়ন পত্ৰ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু সেইদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ

কৰা হ'ব। অহা ২ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত কৰি ৪ এপ্ৰিলৰ দিনা ভোটগণনাৰ জৰিয়তে ফলাফল ঘোষণা কৰা হ'ব।

০০০০

আজি বিশ্ব গ্ৰাহক অধিকাৰ দিৱস। গ্ৰাহকসকলৰ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰা প্ৰয়োজনীয়তাক সোঁৰৰাই দিয়াৰ উদ্দেশ্যে প্ৰতি বছৰে ১৫ মাৰ্চত এই দিৱস উদযাপন কৰা হয়। এই দিৱসে সকলো গ্ৰাহকৰে প্ৰাথমিক অধিকাৰসমূহৰ বিষয়ে গুৰুত্ব আৰোপ, এই অধিকাৰসমূহক সন্মান আৰু সুৰক্ষিত কৰা কাৰ্যক উদগনি যোগোৱাৰ সুযোগ দিয়ে। ২০২৫ বৰ্ষৰ বিশ্ব গ্ৰাহক অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- **বহনক্ষম জীৱন শৈলীৰ বাবে ন্যায়সংগত পৰিৱৰ্তন**। কেন্দ্ৰীয় চৰকাৰে গ্ৰাহকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ ওজৰ আপত্তিসমূহ সোনকালে নিষ্পত্তি কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰীত আজি মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত বিশ্ব গ্ৰাহক অধিকাৰ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও বিভাগীয় বিষয়াৰ লগতে অধিবক্তাও উপস্থিত থাকে। এই অনুষ্ঠানত উপস্থিত থকা অতিথিসকলে গ্ৰাহকৰ লগত জড়িত আইন সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ দি গ্ৰাহকৰ অধিকাৰক লৈ সজাগতা সৃষ্টি কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড° দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০০

পদ্ম সন্মানৰ বাবে আজিৰ পৰা মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২০২৬ চনৰ গণৰাজ্য দিৱসত ঘোষণা হ'বলগীয়া এই বঁটাসমূহে বিভিন্ন ক্ষেত্ৰত ব্যতিক্ৰমী কৃতিত্ব আৰু বিশিষ্ট সেৱাৰ স্বীকৃতি প্ৰদান কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি পদ্ম সন্মানৰ মনোনয়নৰ বাবে চলিত বৰ্ষৰ ৩১ জুলাইক অন্তিম দিন ধাৰ্য কৰা হৈছে। এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শ ৰাষ্ট্ৰীয় বঁটা পোৰ্টেল awards.gov.in ত অনলাইনযোগে আগবঢ়াব পাৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ বিবৃতিত স্ব-মনোনয়নকে ধৰি সকলো নাগৰিককে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে। মহিলাসকলৰ মাজৰ পৰা প্ৰতিভাৱান ব্যক্তি, সমাজৰ দুৰ্বল শ্ৰেণী, অনুসূচীত জাতি আৰু জনজাতি, বিশেষভাৱে সক্ষম ব্যক্তি, যিসকলৰ উৎকৃষ্টতা আৰু কৃতিত্ব স্বীকৃতিৰ যোগ্য

হোৱাৰ লগতে সমাজখনত যিসকলে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াইছে তেওঁলোকক চিনাক্ত কৰাৰ বাবে বিশেষ প্ৰচেষ্টা চলোৱা হ'ব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। মেগ লেনিঙৰ নেতৃত্বাধীন ডেলহি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ৫ খনত জয় লাভ কৰি লীগ পৰ্যায়ত শক্তিশালী প্ৰদৰ্শন আগবঢ়ায়। ডেলহি কেপিটেলছে তৃতীয়বাৰৰ বাবে একেৰাহে ফাইনেলত প্ৰৱেশ কৰিছে যদিও দলটোৱে এতিয়ালৈকে মহিলা প্ৰিমিয়াৰ লীগৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই।

০০০০

ঃঃ সমাপ্ত ঃঃ